দেশ

সমষ্টি পুনর্নির্ধাৰণ সংলগ্ন মহিলা সংৰক্ষণৰ নতুন বিধেয়কত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন

সমষ্টি পুনর্নির্ধাৰণৰ সৈতে জড়িত মহিলা সংৰক্ষণ বিধেয়কৰ নতুন খচৰাত অনুমোদন জনালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত বহা কেন্দ্ৰীয় কেবিনেটে।

প্ৰকাশ: ২৭ নৱেম্বৰ ২০২৬, আবেলি ৪:৫৬



নতুন দিল্লী, ২৭ নৱেম্বৰ: সমষ্টি পুনর্নির্ধাৰণৰ সৈতে জড়িত মহিলা সংৰক্ষণ বিধেয়কৰ নতুন খচৰাত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনাইছে। শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত সেৱা তীৰ্থত অনুষ্ঠিত কেবিনেট বৈঠকত এই বিধেয়কখনত অনুমোদন দিয়া হয়। ৩০ নৱেম্বৰৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বিশেষ অধিৱেশনত বিধেয়কখন উত্থাপন কৰাৰ সম্ভাৱনা আছে। নতুন বিধেয়কখনত এনে কিছুমান সংশোধনী অন্তৰ্ভুক্ত কৰা হৈছে, যাতে সমষ্টি পুনর্নির্ধাৰণৰ পাছত লোকসভাত ৰাজ্যসমূহৰ বৰ্তমানৰ আনুপাতিক প্ৰতিনিধিত্ব হ্ৰাস নাপায়। এই ব্যৱস্থাৰ জৰিয়তে সমষ্টি পুনর্নির্ধাৰণৰ ফলত ৰাজ্যসমূহৰ মাজত আসনৰ অংশীদাৰিত্বৰ ভাৰসাম্য সলনি হোৱাৰ আশংকা দূৰ কৰাৰ লক্ষ্য লোৱা হৈছে।

২০২৩ চনত সংসদত গৃহীত হোৱা 'নাৰী শক্তি বন্দন অধিনিয়ম'ৰ অধীনত লোকসভা আৰু ৰাজ্য বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল। অৱশ্যে আইনখন কাৰ্যকৰী কৰাৰ প্ৰক্ৰিয়াটো জনগণনা আৰু সমষ্টি পুনর্নির্ধাৰণৰ সৈতে সংযুক্ত হৈ আছে। ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ

© 2026 NewzNow

পূর্বে এই সংৰক্ষণ ব্যৱস্থা কার্যকৰী কৰাৰ লক্ষ্যৰে কেন্দ্রীয় চৰকাৰে নতুন বিধেয়কখন আগবঢ়াই নিছে।

চলিত বর্ষৰ এপ্রিল মাহত সমষ্টি পুনর্নির্ধাৰণ আৰু মহিলা সংৰক্ষণৰ সৈতে জড়িত সংবিধান সংশোধনী বিধেয়ক লোকসভাত গৃহীত কৰাত চৰকাৰ ব্যর্থ হৈছিল। সংবিধান সংশোধনী বিধেয়ক গৃহীত কৰিবলৈ সংসদৰ দুয়োখন সদনতে বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্রয়োজন। এইবাৰ বিধেয়কখন গৃহীত কৰাৰ বাবে প্রয়োজনীয় সমর্থন লাভ কৰা যাব বুলি চৰকাৰী পক্ষই দাবী কৰিছে।

ডিএমকে, এনচিপি আৰু বিআৰএছে বিধেয়কখনক সমর্থন জনাব পাৰে বুলি চর্চা চলিছে। আনহাতে বিৰোধী 'ইণ্ডিয়া' মিত্রজোঁটে বিধেয়কখনৰ বিৰোধিতা কৰিছে আৰু বিধেয়কখন সন্দর্ভত কৌশল নির্ধাৰণ কৰিবলৈ বিৰোধী দলসমূহ শনিবাৰে এক বৈঠকত মিলিত হোৱাৰ কথা।

সংসদীয় পৰিক্রমা মন্ত্রী কিৰেন ৰিজিজুৱে জানিবলৈ দিয়া অনুসৰি, লোকসভাৰ বৈঠক ৩০ নৱেম্বৰত আৰু ৰাজ্যসভাৰ বৈঠক ২ ডিচেম্বৰত পুনৰ আৰম্ভ হ'ব। চৰকাৰী কাম-কাজৰ প্রয়োজন অনুসৰি দুয়োখন সদনৰ বৈঠক ৩ ডিচেম্বৰত সামৰণি পৰিব পাৰে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6967/cabinet-approves-women-reservation-delimitation-bill